Regional News Unit
AKASHVANI, Guwahati
0000000000

Date : 07-08-2024
Time : 0900 Hrs

# *Assamese Morning Bulletin*

## ***HEADLINES***

- - - - - - - - - - - - - - - - - - - - -

১। ন'বেল বঁটাপ্ৰাপক মহম্মদ ইউনুছক বাংলাদেশৰ অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে নিযুক্তি।

২। বাংলাদেশৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত অসমৰ সীমামূৰীয়া পাঁচখন জিলাৰ আয়ুক্ত, আৰক্ষী অধীক্ষকৰ সৈতে মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ বৈঠক।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ আজি দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত অসম বন সুৰক্ষা বাহিনীৰ কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ।

৪। পেৰিছ অলিম্পিকৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানৰ ফাইনেলত আজি ৱিনেশ ফোগতৰ স্বৰ্ণ পদকৰ বাবে প্ৰতিদ্বন্দ্বিতা।

আৰু

৫। কলম্বোত আজি ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল।

ooooo

বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে নবেল বঁটা প্ৰাপক মহম্মদ ইউনুছক অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে নিয়োগ কৰিছে। ঢাকাৰ ৰাষ্ট্ৰপতি ভৱনত কালি সেনাবাহিনীৰ তিনিওটা শাখাৰ মুৰব্বী আৰু ছাত্ৰ আন্দোলনৰ ১৩জনীয়া প্ৰতিনিধিবৰ্গৰ সৈতে ৰাষ্ট্ৰপতি চাহাবুদ্দিনৰ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰপতিৰ প্ৰেছ সচিব মহম্মদ জয়নাল আবেদিনে যোৱানিশা সংবাদ মাধ্যমৰ আগত কয় যে বিভিন্ন ৰাজনৈতিক দলৰ সৈতে আলাপ-আলোচনাৰ পাছত অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ আন সদস্যসকলৰ নাম চূড়ান্ত কৰা হ'ব। ৰাষ্ট্ৰপতিয়ে সংসদো ভংগ কৰি দিছে। প্ৰতিবাদৰ গুৰি ধৰা বৈষম্যবিৰোধী ছাত্ৰ আন্দোলনৰ নেতৃত্বই ৮৪ বছৰীয়া ইউনুছে অন্তৰ্ৱৰ্তী চৰকাৰৰ মুৰব্বীৰ দায়িত্ব গ্ৰহণ কৰিবলৈ সন্মত হোৱা বুলি প্ৰকাশ কৰিছে। ইউনুছে গ্ৰামীণ বেংকৰ জৰিয়তে দৰিদ্ৰতাৰ বিৰুদ্ধে চলোৱা অভিযানৰ বাবে ২০০৬ চনত শান্তিৰ নবেল বঁটা লাভ কৰিছিল। বাংলাদেশত সোমবাৰে সেনাই দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত ভালেমান অংশত হিংসাত্মক ঘটনা সংঘটিত হয়। দেশখনত জুলাইৰ মাজভাগৰ পৰা অব্যাহত থকা অশান্ত পৰিস্থিতিৰ বাবে নিহত লোকৰ সংখ্যা ৪৪০লৈ বৃদ্ধি পাইছে। ইপিনে, বাংলাদেশ নেচনেলিষ্ট পাৰ্টিৰ মুৰব্বী তথা প্ৰাক্তন প্ৰধানমন্ত্ৰী খালেদা জিয়াক গৃহবন্দিত্বৰ পৰা মুকলি কৰি দিয়া হৈছে। ৭৯ বছৰীয়া প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকী দীৰ্ঘদিন ধৰি বৃক্ক, যকৃত আৰু হৃদযন্ত্ৰৰ সমস্যাত ভুগি আছে।

ooooo

বাংলাদেশৰ শেহতীয়া পৰিস্থিতিক লৈ ৰাজ্য চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰিছে। দেশখনৰ প্ৰধানমন্ত্ৰী পদৰ পৰা পদত্যাগ কৰি শ্বেইখ হাছিনা ভাৰতলৈ অহাৰ পাছতেই কালি বাংলাদেশৰ সৈতে সংলগ্ন হৈ থকা অসমৰ জিলাকেইখনৰ জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ সৈতে ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধান গৰাকী বৈঠকত মিলিত হয়। ভিডিঅ' কনফাৰেন্সযোগে অনুষ্ঠিত এই বৈঠকত কাছাৰ, কৰিমগঞ্জ, গোৱালপাৰা, মানকাচৰ আৰু ধুবুৰী জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকক সীমান্তত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। আনহাতে, মুখ্য সচিব ৰবি কোটাৰ লগতে আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে সীমান্তৰ পৰিস্থিতিৰ ওপৰত চোকা নজৰ ৰাখিবলৈ কোৱাৰ লগতে ২৪ ঘণ্টাই সতৰ্ক হৈ থাকিবলৈও জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক নিৰ্দেশ দিয়ে। ইফালে, অসম চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰেও বাংলাদেশ সীমান্তত সতৰ্কতা জাৰি কৰিছে। সেই অনুসৰি বাংলাদেশ সীমান্তত অধিক বি-এছ-এফ জোৱান নিয়োজিত কৰা হৈছে। বিশেষকৈ নদী এলেকাৰ লগতে পাহাৰীয়া সীমান্ত অঞ্চলেৰে যাতে অনুপ্ৰবেশ হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত অঞ্চলসমূহত নিৰাপত্তা ব্যৱস্থা অধিক শক্তিশালী কৰি তোলা হৈছে।

ooooo

বাংলাদেশৰ অশান্ত পৰিস্থিতিৰ মাজতে ভাৰতে কূটনৈতিক মিছনৰ জৰিয়তে দেশখনত থকা ভাৰতীয় নাগৰিকসকলৰ সৈতে অহৰহ সম্পৰ্ক ৰক্ষা কৰি আহিছে। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি সংসদৰ উভয় সদনত নিজাববীয়াকৈ বিবৃতি দি কয় যে সম্প্ৰতি ৯ হাজাৰ শিক্ষাৰ্থীসহ প্ৰায় ১৯ হাজাৰ ভাৰতীয় নাগৰিক দেশখনত আছে। তেওঁ কয় যে ঢাকাত থকা উচ্চায়ুক্তৰ পৰামৰ্শমৰ্মে যোৱা মাহত ভালেসংখ্যক বিদ্যাৰ্থী ভাৰতলৈ উভতি আহিছে।

নতুন দিল্লী মহলে দেশখনৰ সংখ্যালঘুৰ স্থিতিৰ ওপৰত নজৰ ৰাখি আছে বুলি ড০ জয়শংকৰে লোকসভা আৰু ৰাজ্যসভাক অৱগত কৰে। তেওঁলোকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বিভিন্ন গোট আৰু সংস্থাই উদ্যোগ লোৱাৰ বাতৰি পোৱা গৈছে। ড০ জয়শংকৰে লগতে কয় যে বৰ্তমানৰ পৰিস্থিতি  লৈ চাই সীমান্তত পহৰাৰত বাহিনীসমূহক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হৈছে।

00000

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি গোলাঘাট জিলাৰ দেৰগাঁৱত লাচিত বৰফুকন পুলিচ একাডেমীত অসম বন সুৰক্ষা বাহিনীৰ কনিষ্টবলৰ দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰীয়ে আজি অনুষ্ঠিত হ'বলগীয়া সমাৰোহত ৯৮১ গৰাকী বন সুৰক্ষা বাহিনীৰ কনিষ্টবলক দীক্ষান্ত প্ৰমাণ-পত্ৰ প্ৰদান কৰিব। এই অনুষ্ঠানত পৰিবেশ আৰু বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। বন আৰু বন্যপ্ৰাণী সুৰক্ষাৰ দিশত এক দৃঢ় পদক্ষেপ গ্ৰহণৰ অংশৰূপে প্ৰথম বাৰৰ বাবে এই দীক্ষান্ত সমাৰোহৰ আয়োজন কৰা হৈছে। বন সুৰক্ষা বাহিনীত জোৱানৰ নিযুক্তিৰ সংখ্যা ১২০ শতাংশলৈ বৃদ্ধি কৰাৰ ফলত জোৱানৰ সংখ্যা ৭৮৪ৰ পৰা এহেজাৰ ৭২৪ গৰাকী হৈছে। ইয়াৰে ৯০ গৰাকী মহিলা। আনহাতে, তৃতীয় অসম বন সুৰক্ষা বাহিনী বেটেলিয়ন সম্পূৰ্ণ ৰূপে নৱনিযুক্ত জোৱানেৰে গঠন কৰা হৈছে। দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰাৰ পাছতেই মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কাজিৰঙাৰ বাগৰিত অনুষ্ঠিত হ'বলগীয়া কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু বাঘ সংৰক্ষিত বনাঞ্চলৰ বাবে ইনফ্লেটেবল ৰবৰ নাও অৰ্থাৎ আই আৰ বি বিতৰণৰ এটা অনুষ্ঠানতো অংশগ্ৰহণ কৰিব।

00000

ৰাজ্যৰ হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম সঞ্চালকালয়ৰ উদ্যোগত আজি দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হ'ব। খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া এই দিৱসত মুখ্য অতিথি হিচাপে হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম, ভূমি সংৰক্ষণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম উপস্থিত থাকিব। জনস্বাস্থ্য কাৰিকৰী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা আৰু পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা এই অনুষ্ঠানৰ সন্মানীয় অতিথি হিচাপে আৰু পদ্মশ্ৰী তথা অসম গৌৰৱ বঁটা প্ৰাপক বয়ন শিল্পী হেমপ্ৰভা চুতীয়া বিশেষ আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব।

ইফালে, আজি নতুন দিল্লীতো দশম ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰা হ'ব। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে শিপিনীসকলক হস্ততাঁত শিল্পলৈ আগবঢ়োৱা অসামান্য বৰঙণিৰ বাবে কবিৰ দাস বঁটাৰ লগতে ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাও প্ৰদান কৰিব।

00000

অলিম্পিকৰ ইতিহাসত ফাইনেলত প্ৰৱেশ কৰা দেশৰ প্ৰথমগৰাকী মহিলা মল্লযোদ্ধা ৱিনেশ ফোগত আজি পেৰিছ্ অলিম্পিকৰ ৫০ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ফাইনেলত অৱতীৰ্ণ হ'ব। ফোগত ফাইনেলত আমেৰিকাৰ চাৰা এন হিল্ডেব্ৰাণ্টৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৯ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। একেদৰে, মণিকা বাট্ৰা, শ্ৰীজা অকুলা আৰু অৰ্চনা কামাথক লৈ গঠিত টেবুল টেনিছ দলটোৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ থাকিব। দলটোৱে দিনৰ ডেৰ বজাত কোৱাৰ্টাৰ ফাইনেলত উচ্চ বাছনিপ্ৰাপ্ত জাৰ্মানীৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'ব। ইপিনে, বেগাই খোজকঢ়াৰ ৰিলে শিতানত সুৰয পাৱাৰ আৰু প্ৰিয়ংকা চৌধৰীয়ে দিনৰ ১১ বজাত দেশক প্ৰতিনিধিত্ব কৰিব। অদিতি অশোক আৰু দীক্ষা দুপৰীয়া চাৰে ১২ বজাত মহিলাৰ ব্যক্তিগত ষ্ট্ৰোক প্লেৰ প্ৰথম ৰাউণ্ডত অৱতীৰ্ণ হ'ব।

এথলেটিকছত জ্যোতি য়াৰাজী, সৰ্বেশ অনিল কুশাৰে আৰু আব্দুল্লা নাৰাংগোলীণ্টেৱিডাই ক্ৰমে হাৰ্ডেল, হাই জাম্প আৰু ত্ৰিপল জাম্পৰ প্ৰথম ৰাউণ্ডত খেলিব। অবিনাশ চাবলে পুৰুষৰ ৩ হাজাৰ মিটাৰ ত্ৰিপল ষ্টেজৰ ফাইনেলত পদক জয়ৰ লক্ষ্যৰে অৱতীৰ্ণ হ'ব। ইপিনে, টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা মীৰাবাঈ চানুৱে একেৰাহে দ্বিতীয়বাৰৰ বাবে পদক জয়ৰ প্ৰয়াস চলাব। চানু নিশা ১১ বজাত মহিলাৰ ভাৰোত্তোলনৰ ৪৯ কিলোগ্ৰাম ওজন শাখাত অৱতীৰ্ণ হ'ব।

00000

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি অসমৰ পৰা নিৰ্বাচিত এন ডি এৰ সাংসদসকলৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎকালত তেওঁলোকে এইবাৰৰ বাজেটত অসমৰ বাবে বান ব্যৱস্থাপনাৰ ক্ষেত্ৰত  দিয়া আৱণ্টন, ইউনেস্কোৰ বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত চৰাইদেউ মৈদামক অন্তৰ্ভুক্তিকৰণ, জাগীৰোডত উত্তৰ-পূবৰ প্ৰথমটো ছেমি কনডাক্টৰ প্ৰকল্পৰ অনুমোদন আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰ

অনুমোদনৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে সামাজিক মাধ্যমযোগে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ-পূব এছিয়াৰ শক্তি ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে। বিগত ১০ টা বছৰত অঞ্চলটোত স্থায়ী শান্তি প্ৰতিষ্ঠা হোৱাৰ লগতে সমগ্ৰ অঞ্চলটো গুৱাহাটীক কেন্দ্ৰ হিচাপে লৈ ক্ৰমাৎ দক্ষিণ-পূব এছিয়াৰ বাণিজ্য আৰু উৎপাদনৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত হৈছে বুলি তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীৰ দূৰদৰ্শী দৃষ্টিভংগীৰ বাবেই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল নতুন ভাৰতৰ বিকাশৰ নতুন ইঞ্জিন আৰু অষ্টলক্ষ্মী হিচাপে উজ্বলি উঠিছে বুলিও তেওঁ কয়। শ্ৰীসোণোৱালে লগতে কয় যে বিগত ১০ বছৰত প্ৰধানমন্ত্ৰীয়ে অসমত শান্তি, প্ৰগতি আৰু সমৃদ্ধিৰ নতুন যুগৰ সূচনা কৰিছে। তেওঁ শ্ৰীমোদীক অমৃত কালত দেশক সুদক্ষভাৱে নেতৃত্ব দিয়াৰ ধন্যবাদ জ্ঞাপন কৰে।

ooooo

ভাৰতীয় ৰিজাৰ্ভ বেংকে কেন্দ্ৰীয় চৰকাৰৰ সংশোধিত সুদ সাহায্য যোজনা অব্যাহত ৰখাৰ সিদ্ধান্তলৈ লক্ষ্য ৰাখি বেংকসমূহক শস্য ঋণ আৰু পশুপালন, দুগ্ধ উৎপাদন, মৎস্য পালন, মৌ পালনৰ দৰে আনুসঙ্গিক কাম-কাজৰ বাবে কম হাৰত হ্ৰস্বকালীন ঋণ প্ৰদান কৰিবলৈ কৈছে। এই আঁচনিৰ অধীনত খেতিয়কসকলক ৭ শতাংশ সুদৰ হাৰত ৩ লাখ টকালৈ ঋণ প্ৰদান কৰা হ'ব। আৰ বি আয়ে এখন জাননীযোগে কৈছে যে ঋণ প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহক ২০২৪-২৫ বৰ্ষৰ বাবে সুদৰ ক্ষেত্ৰত ডেৰ শতাংশ ৰেহাই প্ৰদান কৰা হ'ব। সময় মতে ঋণ পৰিশোধ কৰা খেতিয়কসকলক ৩ শতাংশৰ অতিৰিক্ত সকাহ প্ৰদান কৰা হ'ব বুলি আৰ বি আয়ে জানিবলৈ দিছে। ভাৰতীয় ৰিজাৰ্ভ বেংকে হ্ৰস্বকালীন ঋণ লাভ কৰাৰ বাবে আধাৰ নম্বৰৰ সৈতে নাম সংযোগ কৰাটো বাধ্যতামূলক হ'ব বুলি প্ৰকাশ কৰিছে। খেতিয়কসকলে যাতে বিপদৰ সময়ত কম দামতে উৎপাদিত সামগ্ৰী বিক্ৰী কৰিবলগীয়া নহয় তাৰ বাবে তেওঁলোকক গুদামত শস্য মজুত ৰাখিবলৈ উৎসাহিত কৰাৰ বাবে কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ অধীনত ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কসকলক শস্য চপোৱাৰ পাছত ছমাহলৈকে অতিৰিক্ত সময়ৰ বাবে সুদৰ ক্ষেত্ৰত ৰেহাই প্ৰদান কৰা হ'ব।

ooooo

ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক কালি ফিজিৰ সৰ্বোচ্চ অসামৰিক সন্মান **কম্পেনিয়ন অব দ্য অৰ্ডাৰ অব ফিজি**ৰে সন্মানিত কৰা হয়। দেশখনৰ ৰাষ্ট্ৰপতি কাৰ্যালয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয় যে ফিজিৰ ৰাষ্ট্ৰপতি ৰাতু উইলিয়াম মাইভালিলি কাটনীভেৰেই ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক এই সন্মান প্ৰদান কৰে। দুদিনীয়া ভ্ৰমণসূচী লৈ ফিজিলৈ যোৱা শ্ৰীমতী মুৰ্মুৱে এই সন্মানক ভাৰত আৰু ফিজিৰ মাজৰ **গভীৰ বন্ধুত্বৰ এক প্ৰকাশ** বুলি মন্তব্য কৰে।

ooooo

ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেল কলম্বোৰ আৰ প্ৰেমদাসা ষ্টেডিয়ামত আজি অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব। শ্ৰীলংকাই দ্বিতীয়খন এদিনীয়াত ৩২ ৰাণত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ প্ৰথমখন খেল ড্ৰ হৈছিল। শ্ৰীলংকাই ২৭ বছৰ পাছত ভাৰতৰ বিৰুদ্ধে দ্বিপাক্ষিক শৃংখলাত অগ্ৰগতি লাভ কৰিছে আৰু শৃংখলা দখলৰ দিশে আগবাঢ়িছে। ভাৰতে আজিৰ খেলখনত জয়লাভ কৰি শ্ৰীলংকাৰ বিৰুদ্ধে অপৰাজিত হৈ থকাৰ ধাৰা অক্ষুণ্ণ ৰখাৰ চেষ্টা চলাব। ভাৰতে শ্ৰীলংকাৰ বিৰুদ্ধে ১৯৯৭ চনৰ পাছৰে পৰা কোনো শৃংখলাত পৰাজিত হোৱা নাই।

ooooo

বাংলাদেশত অশান্ত জৰ্জৰ পৰিস্থিতি অব্যাহত থকা বাতৰিটো দি আছাম ট্ৰিবিউন, দৈনিক অসম, নিয়মীয়া বাৰ্তা, অসমীয়া প্ৰতিদিন, অসমীয়া খবৰ আদি কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিনৰ শিৰোনাম **বাংলাদেশত হিন্দুৰ ঘৰ-প্ৰতিষ্ঠানত তাণ্ডৱ**।

বাংলাদেশৰ ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে নবেল বঁটা প্ৰাপক মহম্মদ ইউনুছক অন্তৰ্ৱৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে নিয়োগ কৰা বাতৰিটো দি আছাম ট্ৰিবিউন, আমাৰ অসম, দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউনৰ শিৰোনাম Bangladesh President dissolves Parliament ।

অলিম্পিকত নীৰজ চোপ্ৰাই জেভলিন থ্ৰোৰ ফাইনেলত প্ৰবেশ কৰাৰ বাতৰিটো দৈনিক অগ্ৰদূত কাকতে **অলিম্পিকত স্বৰ্ণ অভিযানত অদম্য নীৰজ চোপ্ৰাৰ ফাইনেলত প্ৰৱেশ** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

যোৱা সোমবাৰে হোৱা নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীত এতিয়াও অবৰ্ণনীয় বান পৰিস্থিতি অব্যাহত থকা বাতৰিটোক নিয়মীয়া বাৰ্তা কাকতে **অন্ত পৰা নাই গুৱাহাটীবাসীৰ দুৰ্দশা** শিৰোনামেৰে মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে।

অভ্যন্তৰীণ জলপথ কৰ্তৃপক্ষই ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান পাঁচখন পথ দলং নিৰ্মাণক লৈ আপত্তিবিহীন প্ৰমাণ-পত্ৰ প্ৰদান কৰা বাতৰিটোক দ্য ছেণ্টিনেল কাকতে IWAI gives NOCs to five bridges over Brahmaputra শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিসমূহৰ ভিতৰত আছে ৰাষ্ট্ৰপতি মুৰ্মুক ফিজিৰ সৰ্বোচ্চ অসামৰিক সন্মান, ইৰাণ-ইজৰাইলৰ পাৰমাণৱিক যুদ্ধ আশংকা, দৈয়াং প্ৰকল্পৰ পানী এৰিছে নীপকোৱে, আই আই টি গুৱাহাটীয়ে নকৰে ভূবৈজ্ঞানিক অধ্যয়ন - চৰকাৰক জবাবদিহি উচ্চ ন্যায়ালয়ৰ, ৯ হাজাৰ শিক্ষাৰ্থীসহ বাংলাদেশত আৱদ্ধ ১৯ হাজাৰ ভাৰতীয় ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিৰ চমু অৱলোকন।

ooooo

সমাপ্ত